# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 14-04-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin

::::::::::::::::::::::::::::::::::::::::

১। আজি পহিলা ব'হাগ। ৰাজ্যজুৰি উলহ-মালহেৰে অসমীয়া নৱবৰ্ষ আৰু মানুহ বিহু পালন।

২। সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিজেপিৰ সংকল্পপত্ৰ নামৰ দলীয় ইস্তাহাৰ প্ৰকাশ।

৩। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি বিভিন্ন ৰাজনৈতিক দলৰ তীব্ৰগতিত প্ৰচাৰ অভিযান। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ কলকাতা নাইট ৰাইডাৰ্ছক ১৬২ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ। দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

০০০০০

আজি ব'হাগৰ পহিলা দিন। আজি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো পৰম্পৰাগতভাৱে ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পহিলা ব'হাগ উপলক্ষে শিৱসাগৰ জিলাৰ ৰংঘৰ বাকৰিত আহোম শাসনকালৰ ঐতিহ্য প্ৰতিফলিত কৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। প্ৰতীকি স্বৰ্গদেউক লৈ তলাতল ঘৰৰ পৰা উলিওৱা শোভাযাত্ৰাই ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। তলাতল ঘৰৰ পৰা হাতীত উঠি স্বৰ্গদেউ আহি ৰংঘৰত আসন গ্ৰহণ কৰাৰ লগে লগে ৰংঘৰৰ বাকৰিত ৰঙৰ মেলা আৰম্ভ হয়। পাৰম্পৰিক ৰীতি অনুযায়ী আহোম শাসনকালত নিৰ্মিত এছিয়াৰ প্ৰাচীনতম ব্যৱহৃত পেভেলিয়ন ৰংঘৰত বিহু উপলক্ষে মল্লযুঁজকে ধৰি বিভিন্ন খেল অনুষ্ঠিত হয়। বিহুৰ কাৰ্যসূচীত যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ উপস্থিত থাকি ৰাইজক বিহু শুভেচ্ছা জ্ঞাপন কৰে।

বিহু উপলক্ষে বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। তিনিচুকীয়াৰ চলিহানগৰ খেলপথাৰত আছুৰ উদ্যোগত মুকলি বিহুৰ আয়োজন কৰা হৈছে। মুকলি বিহুত মৰাণ, মটক, আহোম, চুতীয়া, নেপালী, সোণোৱাল কছাৰী, চাহ জনগোষ্ঠীৰ প্ৰতিনিধিয়ে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰিব।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালীৰ বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। সমষ্টিটোৰ বিধায়ক ভৱেশ কলিতাই ৰঙালীৰ বিহুৰ পতাকা উত্তোলন কৰে। আনহাতে গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনেও জিলা সংৰক্ষিত আৰক্ষী চাউনীত নিৰ্বাচনকেন্দ্ৰিক কৰ্ম ব্যস্ততাৰ মাজতে জিলা আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ প্ৰচেষ্টাত বিহুৰ আয়োজন কৰে।

ইফালে কাৰ্বি আংলং জিলাতো ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত ডিফু ক্লাবত ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত পতাকা উত্তোলনেৰে ৰঙালী উৎসৱৰ আৰম্ভণি কৰা হয়।

অসমীয়া নতুন বছৰৰ প্ৰথম দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত জনসাধাৰণে নামঘৰ, মন্দিৰ আৰু অন্যান্য ধৰ্মীয় উপাসনাস্থলীত সেৱা আগবঢ়ায়। বৰপেটা জিলাত অসমৰ বাপতিসাহোন ৰঙালী বিহু উপলক্ষে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে জিলাখনৰ অন্যান্য সত্ৰসমূহত সম্পূৰ্ণ সত্ৰীয়া নীতি-নিয়মেৰে পৰম্পৰা অনুযায়ী পহিলা ব'হাগৰ কাৰ্যসূচী পালন কৰা হৈছে। চ'তৰ সংক্ৰান্তিৰ পৰা ৭ দিনজুৰি পালন কৰা বৈহাগৰ দোমাহীৰ আজি বৰ দোমাহী। এই উপলক্ষে ভক্তসকলে সত্ৰত উপস্থিত হৈ হৰিনামৰ অমিয়া সুৰ আৰু গায়ন-বায়নৰ ভক্তিপূৰ্ণ খোলৰ চেও তথা ভকতি ৰসত বুৰ যায়।

গোলাঘাট জিলাতো বিহু উপলক্ষে ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰ, চিকন আতাৰ থান, বাসুদেৱ থান ইত্যাদি ধৰ্মীয় স্থানসমূহত ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা দেখিবলৈ পোৱা যায়। মাজুলীতো ৩৫খন ঐতিহাসিক সত্ৰত ধৰ্মীয় ৰীতি-নীতিৰে আজি পহিলা ব'হাগৰ দিনটো উদযাপন কৰে। ইয়াৰ লগতে মাজুলীৰ মুদৈবিল গাঁৱত আউনীআটি সত্ৰৰ বৈষ্ণৱসকলে বোকাবিহু পালন কৰে। গোৱালপাৰা জিলাৰ শোলমাৰীত থকা ঐতিহাসিক মা শ্যামা কালী মন্দিৰতো আজি পহিলা ব'হাগ উপলক্ষে ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হয়।

ইফালে অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটোত নিজৰ দিন হিচাপে পালন কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বহু বিশিষ্ট ব্যক্তিৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰিছে। এই উপলক্ষে সভাৰ গুৱাহাটী প্ৰশাসনিক কাৰ্যালয়ৰ বৃহত্তৰ বিৰকুছি সাহিত্য সভাৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই পতাকা উত্তোলন কৰে। চিৰাং জিলাতো  অসম সাহিত্য সভাৰ নিৰ্দেশনা অনুসৰি ধালিগাঁও-বৰতালোৱা, ছাতিপুৰ, কাজলগাঁও শাখা সাহিত্য সভাৰ প্ৰতিনিধিসকলে অঞ্চলটোৰ বিশিষ্ট লোকসকৰলৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। একেদৰে বাক্সা জিলাতো সক্ৰিয় সাহিত্য শাখাসমূহে ফুলাম গামোচা আৰু ওলগনি পত্ৰৰে  বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

ইয়াৰ লগতে মানুহ বিহু উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ডেকা-বুঢ়া সকলোৱে মিলি হুঁচৰি গোৱা পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে। বিভিন্ন অঞ্চলত বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন, পিঠা-পনা প্ৰস্তুত কৰা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি সংকল্পপত্ৰ নামেৰে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জ্যেষ্ঠ নেতা ৰাজনাথ সিঙৰ উপস্থিতিত দলৰ ৰাষ্ট্ৰীয়

সভাপতি জে পি নাড্ডাই নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এই ইস্তাহাৰ জাৰি কৰে। ইস্তাহাৰত দলে উমৈহতীয়া দেৱানি বিধি, এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন আৰু একক নিৰ্বাচন তালিকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দলে লগতে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত পৰৱৰ্তী ৫ বছৰৰ বাবে বিনামুলীয়া ৰেচন যোগান ব্যৱস্থা অব্যাহত ৰখাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলক সামৰি লোৱাৰ বাবে আয়ুষ্মান ভাৰত যোজনাৰ সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতিও দিছে। সংকল্পপত্ৰত সবলীকৰণৰ জৰিয়তে ৩ কোটি মহিলাক লাখপতি বাইদেউৰূপে গঢ়ি তোলা আৰু প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰে বিদ্যুৎ মাচুল শূন্য কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

নিৰ্বাচনী ইস্তাহাৰখনত উত্তৰ পূৰ্বাঞ্চলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইস্তাহাৰত দলে অশান্ত এলেকাসমূহৰ বিষয়সমূহ দূৰ কৰাৰ লগতে পৰ্যায়ক্ৰমে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিব বুলি ঘোষণা কৰা হৈছে। দলে লগতে নিৰন্তৰ প্ৰচেষ্টাৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ আন্তৰাজ্যিক সীমান্ত বিবাদ নিষ্পত্তিৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে।

নিৰ্বাচনী ইস্তাহাৰত বিজেপিয়ে দেশৰ প্ৰথম মানৱ মহাকাশ অভিযান গগনযান উৎক্ষেপণ কৰা হ'ব বুলিও প্ৰকাশ কৰে। ইয়াৰ লগতে দেশক সকলো ধৰণৰ বতৰৰ বাবে সাজু কৰি তোলা আৰু জলবায়ুৰ দিশৰ পৰা স্মাৰ্ট ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে মৌচম নামৰ ৰাষ্ট্ৰীয় বায়ুমণ্ডলীয় অভিযান আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি ইস্তাহাৰত অন্তৰ্ভুক্ত কৰা হৈছে।

ইস্তাহাৰ মুকলি কৰাৰ পাছত দলৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, সংকল্প পত্ৰই উন্নত ৰাষ্ট্ৰৰ ৪টা শক্তিশালী স্তম্ভ যুৱ প্ৰজন্ম, মহিলা, খেতিয়ক আৰু দৰিদ্ৰসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰ গতিত অব্যাহত ৰাখিছে। দলসমূহে শীৰ্ষ নেতৃত্ব আৰু তাৰকা প্ৰচাৰকৰ উপস্থিতিত সমষ্টিসমূহৰ ঠায়ে ঠায়ে জনসমাবেশ, মটৰ চাইকেল সমদল, ৰোড শ্ব' আদি অনুষ্ঠিত কৰিও প্ৰচাৰ চলাইছে। তদুপৰি বিভিন্ন অঞ্চললৈ গৈ ভোটদাতা ৰাইজৰ সৈতে মত বিনিময় কৰি প্ৰাৰ্থীসকলে তেওঁলোকৰ মন জয় কৰাৰ চেষ্টা চলাইছে। অহা ১৭ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। এই সভাত প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে আজি তামুলপুৰত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰে এখন বৈঠকত মিলিত হয়। এই বৈঠকত বিজেপি মিত্ৰজোটৰ ভালেসংখ্যক নেতাকৰ্মী অংশ গ্ৰহণ কৰে। ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই আৰু শোণিতপুৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। হোজাইত প্ৰচাৰ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শাসনকালত ৰাজ্যখনত ৯ হাজাৰ উগ্ৰপন্থী সংগঠনৰ সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূল সুতিলৈ উভতি আহিছে। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি খোৱাং বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। একেদৰে যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে যোৰহাট নগৰত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মাজুলীত শ্ৰীগগৈৰ হৈ প্ৰচাৰ চলাবলৈ ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ উপস্থিত হয়।

বিধায়কগৰাকীয়ে মাজুলীৰ বালিচাপৰি, মালাপিন্ধা, চেলেকঘাট, লুইতখাবলু, ডাম্বুকিয়াল আদিত গৌৰৱ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ তিতাবৰত প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ০০০

০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসন আৰু ডিব্ৰুগড় জিলা নিৰ্বাচনী বিভাগৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ কোষৰ উদ্যোগত জিলাখনৰ বিভিন্ন ঠাইত ভোটদাতাৰ সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে। বিগত নিৰ্বাচনত ৭৫ শতাংশতকৈও কম ভোটদান হোৱা অঞ্চলসমূহত ভোটাৰ ৰাইজৰ সজাগতাৰ বাবে জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ তৎপৰতাত নিৰন্তৰ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ লগতে লোকসভা নিৰ্বাচনৰ ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাইজৰ বিপুল অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ বিভিন্ন অঞ্চলত অনুভাষ যন্ত্ৰ দ্বাৰা ভোটাৰ সজাগতা অভিযান অব্যাহত ৰখা হৈছে।

তিনিচুকীয়া জিলাতো বিভিন্ন অঞ্চলত ভোটদাতা সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুবিধা আৰু সুচল পৰিস্থিতি সৃষ্টি কৰাৰ কাৰণে তিনিচুকীয়া জিলা প্ৰশাসনৰ তৎপৰতা পৰিলক্ষিত হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহত জিলা প্ৰশাসনৰ বিষয়াই পৰ্যবেক্ষণ অব্যাহত ৰাখিছে।

ইফালে যোৰহাট জিলাতো লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰিবলৈ জিলা আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সম্ভাব্য কূটাঘাতমূলক পৰিস্থিতি ৰোধ কৰিবলৈ তালাচী চলোৱাৰ লগতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈকে কলকাতা নাইট ৰাইডাৰ্ছে ১৩ অভাৰত ২টা উইকেট হেৰুৱাই ১২৭ ৰান কৰি খেলি আছে।

ইফালে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ আৰু চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ, জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি, ঈদ-উল ফিটৰ উদযাপন আৰু অসমীয়াৰ বাপতি সাহোন বিহু উৎসাহ উদ্দীপনাৰে পালনৰ প্ৰস্তুতিকে ধৰি বিভিন্ন বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্যখনত সমাগত নিৰ্বাচনৰ বাবে তাৰকা প্ৰচাৰকৰ উপস্থিতিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ আকৰ্ষণীয় হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা ৯ এপ্ৰিলত উত্তৰ লখিমপুৰৰ এখন জনসভাত অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে

দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৯ হাজাৰ ৫০০ ৰো অধিক উগ্ৰপন্থী সদস্য আত্মসমৰ্পণ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হোৱা পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মানে ডিব্ৰুগড় আৰু শোণিতপুৰত প্ৰচাৰ চলায়। ইফালে, অহা সপ্তাহত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। আনহাতে, কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে যোৰহাট আৰু ডিব্ৰুগড়ৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে ১৬ এপ্ৰিলত ৰাজ্যখনত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

০০০০

অহা ৭ মে'ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ১২ এপ্ৰিলত অধিসূচনা জাৰি কৰা হয়। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমত এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিললৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, ২২ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০

দেশত অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ লগতে অৰুণাচল প্ৰদেশ আৰু ছিকিমত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। প্ৰথম পৰ্যায়ত ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২ টা সংসদীয় সমষ্টিত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে ৩৫০ গৰাকীৰো অধিক পৰ্যবেক্ষকক নিকা, স্বচ্ছ আৰু সুচাৰুৰূপে ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে যোৱা ১২ এপ্ৰিলত পৰ্যবেক্ষকসকলৰ সৈতে নতুন দিল্লীৰ পৰা ভিডিঅ'কনফাৰেঞ্চযোগে বৈঠকত মিলিত হয়। বৈঠকত তেওঁ সকলো পৰ্যবেক্ষকক ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে যোৱা ১১ এপ্ৰিলত গুৱাহাটীত এখন সংবাদমেলত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয় যে ২০04 চনত ২০ দিনৰ ভিতৰত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল, যদিও ডিজিটেল ইণ্ডিয়াৰ সময়ত এতিয়া নিৰ্বাচনৰ বাবে ৪০ দিনৰ প্ৰয়োজন হৈছে। ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিশ্ৰুতি দিয়াৰ বিপৰীতে বিজেপিয়ে ভিত্তিহীন কথাৰে প্ৰচাৰ চলাইছে বুলিও তেওঁ অভিযোগ কৰে। এইবাৰৰ নিৰ্বাচন বিচাৰধাৰা, সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ যুঁজ বুলি তেওঁ মন্তব্য কৰে।

০০০০

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যসূচীত স্বচ্ছতা আৰু দায়বদ্ধতা বজাই ৰখাৰ বাবে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কীয় হৰ্ডিং, ছপা সামগ্ৰী আদিৰ মুদ্ৰণ বা প্ৰকাশৰ দায়িত্বত থকাসকলৰ পৰিচয় স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ তথা ড° সুখবীৰ সিং সান্ধুৱে এই সিদ্ধান্ত গ্ৰহণ কৰে।

নিৰ্বাচন আয়োগে বিভিন্ন পৌৰ নিকায়ৰ অধীনৰ হৰ্ডিং স্থানসমূহত মুদ্ৰণ আৰু প্ৰকাশনৰ দায়িত্বত থকা লোকৰ পৰিচয় নিদিয়াকৈ হৰ্ডিং ইত্যাদি সংস্থাপন কৰা সন্দৰ্ভত তথ্য লাভ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে।

দ্বিতীয় পৰ্যায়ত ৫ টা সমষ্টিৰ বাবে ৰাজ্যখনত হবলগীয়া লোকসভা নিৰ্বাচনত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। যোৱা ৮ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ডিফু সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। এই পৰ্যায়ত দৰং-ওদালগুৰি সমষ্টিত ১১ গৰাকী, ডিফুত ৫, কৰিমগঞ্জত ২৪, শিলচৰত ৮ আৰু নগাওঁত ১৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিব।

০০০০

শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ইছলাম ধৰ্মাৱলম্বী লোকসকলে যোৱা ১১ এপ্ৰিলত ঈদ-উল-ফিটৰ উদযাপন কৰে। পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত ৰাজহুৱা নামাজৰ লগতে ধৰ্মীয় ৰীতি নীতি আৰু পাৰম্পৰিক উৎসাহ উদ্দীপনাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৱিত্ৰ ঈদ-উল-ফিটৰ পালন কৰা হয়।

ৰঙালী বিহু উপলক্ষে ৰাজ্যৰ  বিভিন্ন ঠাইত কণী যুঁজ, মল্ল যুঁজৰ দৰে পৰম্পৰাগত খেল ধেমালীৰো আয়োজন কৰা হয়।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

০০০০০

ঃঃ সমাপ্ত ঃঃ